জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮৩৪/২০২০**

## কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰী সোণোৱালৰ গুৰুত্বপূৰ্ণ বৈঠক

# ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহ শীঘ্ৰে পূৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৭ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এক উচ্চপৰ্যায়ৰ বৈঠকত মিলিত হয়। চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহৰ বিষয়ে বুজ লৈ এই পদসমূহ যথাসম্ভৱ সোনকালে পূৰণ কৰাৰ বাবে এক অভিযান হাতত ল'বলৈ মুখ্যমন্ত্ৰী সোণোৱালে মুখ্য সচিবৰ লগতে সংশ্লিষ্ট বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ লগতে এক দক্ষ, সঁহাৰিশীল আৰু স্ব-প্ৰশাসন সুনিশ্চিত কৰাৰ বাবে প্ৰশাসন ব্যৱস্থাটো অধিক শক্তিশালী কৰি তোলাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এক দায়িত্বশীল আৰু জবাবদিহি প্ৰশাসন গঢ়ি তোলাৰ স্বাৰ্থত ৰাজ্য চৰকাৰে অতি সোনকালে চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা অনুমোদিত পদসমূহ পূৰণৰ বাবে এক অভিযান হাতত ল'ব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে খালী পদত নিযুক্তিৰ এই সিদ্ধান্তই ৰাজ্যখনৰ নিয়োগ প্ৰত্যাশী যুৱক-যুৱতীসকলক স্বচ্ছ আৰু নিকা পদ্ধতিৰে উপযুক্ত সংস্থাপনৰ সুযোগ প্ৰদান কৰিব। ৰাজ্যখনৰ প্ৰতিখন জিলাত থকা আৱৰ্ত ভৱনসমূহকো আন্তঃগাঁথনি আৰু প্ৰয়োজনীয় কৰ্মশক্তিৰে নতুনকৈ সজাই তোলা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ সৰ্বস্তৰতে জনসেৱা প্ৰদান ব্যৱস্থাটো দ্ৰুততৰ কৰি তুলিবলৈও মুখ্য সচিব জিষ্ণু বৰুৱাক নিৰ্দেশ দিয়ে, যাতে ৰাজ্যৰ প্ৰতিটো অংশৰ জনসাধাৰণে প্ৰশাসনৰ সা-সুবিধাসমূহ সমানে লাভ কৰিব পাৰে।

আজিৰ বৈঠকত মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, কৰ্মচাৰী বিভাগ তথা প্ৰশাসনিক সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিব এছ মনিৰন্নন, সাধাৰণ প্ৰশাসন বিভাগৰ সচিব ভাৰত ভূষণ দেৱ চৌধুৰীৰ লগতে অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / প্ৰঃকুঃবঃ**
**১৭/১২/২০২০**